**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 27-09-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ জাৰি কৰিছে। দুয়োগৰাকী অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওচৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়।

সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে আজি এই ঘটনা সন্দৰ্ভত অভিযোগ উঠা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জনতাৰ ধৈৰ্যৰ সৈতে নেখেলিবলৈ আহ্বান জনায়। ৬ অক্টোবৰৰ ভিতৰত তেওঁলোকক অসমত উপস্থিত হ'বলৈ তেওঁ কয়। এই ঘটনাৰ ন্যায় বিচাৰ নোহোৱালৈ অসম চৰকাৰ ক্ষান্ত নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজক আইন হাতত তুলি নলবলৈ অনুৰোধ জনায়।  তদুপৰি উৰাবাতৰিত পতিয়ন নাযাবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। ০

০০০০

ৰাজ্যৰ যাতায়াত ব্যৱস্থাক নতুন মাত্ৰা দি আজি গুৱাহাটীত দুখন উৰণ সেতু উদ্বোধন কৰা হয়। ৪৭ কোটি টকা ব্যয় সাপেক্ষে আজি পাণবজাৰৰ ৬০ বছৰ পুৰণি উৰণ সেতুৰ ঠাইত ২৯০ মিটাৰ দৈৰ্ঘ্যৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰা হয়। এই উৰণ সেতুৱে পাণবজাৰ অঞ্চলত যানজঁটৰ সমস্যা হ্ৰাস কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উৰণ সেতু উদ্বোধন কৰে। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু দিছপুৰৰ বিধায়ক অতুল বৰা উপস্থিত থাকে।

গুৱাহাটীৰ পানীখাইতিৰ নাৰেংগী-ভকতগাঁও সংযোগী পথত ৫৩৭ মিটাৰ দৈৰ্ঘ্যৰ দুটা লেনযুক্ত সেতুখন আজি সন্ধিয়া মুখ্যমন্ত্ৰীয়ে  উদ্বোধন কৰে। ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখন জয়ন্ত হাজৰিকা উৰণ সেতু হিচাপে নামকৰণ কৰা হৈছে। এই উৰণ সেতুৱে গুৱাহাটীৰ সৈতে চন্দ্ৰপুৰ আৰু মৰিগাঁৱকে ধৰি কাষৰীয়া অঞ্চলৰ যাতায়াত সুচল কৰাৰ লগতে পানীখাইতিৰ ৰে'লৱে গে'টত দীঘলীয়া অপেক্ষা কৰা জনসাধাৰণক সঁকাহ দিব। ইয়াৰ ফলত পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য আৰু মায়ঙৰ দৰে পৰ্যটন স্থলীলৈ যোগাযোগ সুচল হ'ব।

০০০০০০

শিশু যৌন নির্যাতনৰ গোচৰত কামৰূপ মহানগৰ জিলাৰ পকছ' আদালতে চলিত সপ্তাহটোত ৫ জন অপৰাধীক দৃষ্টান্তমূলক শাস্তি বিহিছে। মহানগৰীৰ কেইবাখনো থানাত পৃথককৈ ৰুজু হোৱা গোচৰৰ শুনানি গ্ৰহণ কৰি আজি আদালতে মফিদুল খান, বৰুণ কলিতা, গোপাল ছেত্ৰী আৰু আমজাদ আলী নামৰ লোককেইজনক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে। একেদৰে অনিল তাঁতী নামৰ এজন লোকক আদালতে ১৫ বছৰ সশ্ৰম কাৰাদণ্ড বিহিছে।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি আৰক্ষীয়ে ছয় কোটি ৯১ হাজাৰ টকাতকৈও অধিক মূল্যৰ নিচাযুক্ত দ্ৰব্য দাহ কৰে। জিলাখনৰ বিভিন্ন থানা এলেকাৰ পৰা জব্দ কৰা এই মাদকদ্ৰব্যসমূহ অসম-মেঘালয় সীমান্তৱৰ্তী ৰামভোলাপাৰা হেলিপেডৰ সমীপত দাহ কৰা হয়। দাহ কাৰ্যৰ সময়ত জিলাখনৰ আৰক্ষী অধীক্ষক হৰেণ টকৰী, হাটশিঙিমাৰী জিলা চিকিৎসালয়ৰ অধীক্ষক ড° চামচুল হকৰ লগতে প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০

আই আই টি গুৱাহাটীত আজি ভাৰত আৰু জাপান দক্ষতা বিকাশ সেতু শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। দুয়ো দেশৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই আলোচনাত দুয়ো দেশৰ প্ৰতিনিধিয়ে অংশ লৈ মানৱ সম্পদৰ দক্ষতা বিকাশ সম্পৰ্কে আলোচনা কৰে। এই আলোচনাচক্ৰত অসমৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ যুৱক-যুৱতীৰ সংস্থাপনৰ দিশসমূহ আলোকপাত কৰা হয়। তদুপৰি দুয়োদেশৰ পাৰস্পৰিক বুজাপৰা উন্নীতকৰণ আৰু যাতায়াত তথা যোগাযোগ ব্যৱস্থা শক্তিশালীকৰণৰ দ্বাৰা দেশ দুখনৰ মানৱ সম্পদৰ বিকাশ সুচল কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। ইয়াৰ আগেয়ে জাপানৰ প্ৰতিনিধি দলটোৱে এখন প্ৰযুক্তি প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগুৰ উপস্থিতিত আজি ধেমাজিৰ বিজেপি কাৰ্যালয়ত জি এছ টি সন্দৰ্ভত এখন জনসচেতনতা সভা অনুষ্ঠিত হয়। এই সভাত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱায়েও অংশগ্ৰহণ কৰে।

০০০০০০

মৰাণ জনগোষ্ঠীৰ নেতৃস্থানীয় ব্যক্তিসকলৰ সৈতে আজি তিনিচুকীয়া জিলা প্ৰশাসনৰ এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্ননীল পালৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত মৰাণ সম্প্ৰদায়ৰ বাবে জিলা ভিত্তিত কৰিব পৰা বিভিন্ন কামৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত অৰুণাচলত বসবাস কৰা মৰাণ লোকসকলৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণ পত্ৰ আদিৰ বাবে জিলা পৰ্যায়ত প্ৰশাসনিক পৰিকাঠামো গঢ়ি তোলাৰ গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দল-সংগঠনসমূহে ভালেমান কাৰ্যসূচী ৰূপায়ণ কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰাত আজি অৰণ্য সুৰক্ষা সমিতি অসমে তুলসী পুলি ৰোপণেৰে এই অভিযান আৰম্ভ কৰিছে। সমিতিৰ বিভিন্ন শাখাৰ জৰিয়তে ধুবুৰীৰ পৰা চৰাইদেউ জিলালৈকে গছপুলি ৰোপণৰ পৰিকল্পনা কৰা হৈছে। আজি এই কাৰ্যসূচীত ভালেসংখ্যক লোকে অংশ লয়।

ooooooo

মাজুলীৰ দক্ষিণপাট গাঁও পঞ্চায়তত আজি এটা বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ভালেসংখ্যক লোকৰ চকু চিকিৎসা কৰাৰ লগতে কম দামত চশ্মাৰ যোগান ধৰা হয়।

oooooo

সমাপ্ত